**লাইভ গহপুৰ অসম-অনুৰাগৰ ভোগালীক আদৰাৰ প্ৰয়াস**

# গীতে-মাতে-কথাৰে জীপাল ছয়দুৱাৰ মহাবিদ্যালয়ৰ বাকৰি

নিয়মীয়া বাৰ্তা, হাৱাজান, ১৬ জানুৱাৰী ঃ যান্ত্ৰিকতাৰ পৰা অলপ আঁতৰি আহি ১৪ জানুৱাৰীত গহপুৰৰ এজাক যুৱক-যুৱতীৰ লগতে শিল্পী-সাহিত্যিক-অধ্যাপকে ছয়দুৱাৰ মহাবিদ্যালয়ৰ বাকৰি জীপাল কৰি তোলে। দিনৰ ১১.৩০ বজাৰ পৰা গহপুৰৰ প্ৰথম ছ'চিয়েল মিডিয়া গ্ৰুপ 'লাইভ গহপুৰ অসম' আৰু ছয়দুৱাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'অনুৰাগ' অনুষ্ঠানৰ উদ্যোগত অনুষ্ঠিত হোৱা গীতে-মাতে-কথাৰে ভোগালী বিশেষ অনুষ্ঠানত অঞ্চলটোৰ শিল্পীসকলে কণ্ঠেৰে বৰ্তমান সময়ত প্ৰত্যাহ্বান জনায়। সাম্প্ৰতিক সময়ত অসমীয়াত্বক বৰ্তাই ৰাখিবলৈ সকলো অসমীয়া আগবাঢ়ি আহিব লাগিব বুলি এক বাৰ্তা প্ৰেৰণ কৰে গহপুৰৰ কবি-সাহিত্যিক-সাংবাদিক-শিল্পীসকলে। অধ্যাপক তথা বিশিষ্ট কবি ড° ভাস্কৰজ্যোতি গগৈ আৰু জ্যেষ্ঠ সাংবাদিক পল্লৱ বৰাই আঁত ধৰা অনুষ্ঠানত গহপুৰ মহকুমাৰ মহকুমাধিপতি নৰেন্দ্ৰ কুমাৰ শ্বাহ, ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক ড° অঞ্জন কুমাৰ ওজা, কবি-সমালোচক তথা সাংবাদিক বিপুল কুমাৰ দিহিঙীয়া, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ প্ৰধান সচিব বিতুল বৰুৱাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অসমীয়া লোক-সংস্কৃতিৰ পয়ালগা অৱস্থাৰ কথা কৈ সকলো অসমীয়াই শিপা হেৰুৱাই বহিৰাগত সংস্কৃতিক আঁকোৱালি লোৱা কথাক একেমুখে স্বীকাৰ কৰি সেইবোৰ গ্ৰহণৰ পৰা বিৰত থাকি নিজৰ সংস্কৃতি, মাটিৰ সংস্কৃতিক জীপাল কৰাৰ স্বাৰ্থত বা অসমীয়াত্ব বৰ্তাই ৰখাৰ স্বাৰ্থত শিপা নেহেৰুৱাবলৈ সকলোকে আহ্বান জনায়। কণ্ঠশিল্পীসকলে কণ্ঠেৰে অসমীয়া জাতিৰ প্ৰতি অহা ভয়াবহ ভাবুকিৰ কথাক একমুখে ধিক্কাৰ দি অসমীয়াক অসমীয়া হিচাপে জীয়াই থাকিবলৈ কেন্দ্ৰক প্ৰত্যাহ্বান জনায়। গহপু সাংস্কৃতিক কৰ্মী তথা বৰভাবাৰী মৰ্নিংষ্টাৰ হাইস্কুল ৰেক্টৰ যাদৱ চলিহাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতেৰে অনুষ্ঠানটি আৰম্ভ কৰে। জ্যেষ্ঠ কণ্ঠশিল্পী বিজয় বৰা, জনপ্ৰিয় কণ্ঠশিল্পী নিপু বৰা, মানসপ্ৰতিম ভূঞাই গীত পৰিৱেশন কৰাৰ লগতে স্বস্তিতা ঘোষ, হিমাংশুৰাজ বৰা, অনুৰাগ বন্দিত, হিমাংশু বৰাৰ লগতে শিশু শিল্পী দুলৰ্ভ বৰা আৰু তন্ময় বৰাই গীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। অনুষ্ঠানতে বাঁহীবাদক বিৰাজ বৰাই সুললিত কণ্ঠৰে বাঁহী বাদন কৰা অনুষ্ঠানতে অৰুণাচল প্ৰদেশৰ শিল্পী নীল আংকি চে কেইবাটাও গীত পৰিৱেশন কৰে। জলফাইৰ কবি খ্যাত অনন্ত শইকীয়াই কবিতা পাঠেৰে জীপাল কৰি তোলো অনুষ্ঠানত ড° [illegible]জ্যোতি গগৈয়ে কাব্যিক কথনেৰে 'গীতে-মা[illegible] কথাৰে ভোগালী বিশেষ' অনুষ্ঠানটি মহীয়ান কৰি তোলে। অনুষ্ঠানত ড° অঞ্জন কুমাৰ ওজাই অতীতৰ ভোগালী বিহুৰ মাদকতা আৰু সাম্প্ৰতিক সময়ৰ বিহুৰ মাদকতাৰ মাজত আকাশ-পাতাল পাৰ্থক্য বুলি উল্লেখ কৰি শিপা নেহেৰুৱাকৈয়ে যান্ত্ৰিকতাৰ মাজেৰে আমি আগবাঢ়ি যাব লাগিব বুলি উল্লেখ কৰি আমি নিজৰ ভাষা-সংস্কৃতিক পাহৰা মানেই নিজকে পাহৰা বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বিপুল কুমাৰ দিহিঙীয়াই যান্ত্ৰিকতাৰ পৰা ফালৰি কাটি নিজকে গ্ৰাম্য পৰম্পৰাৰে উজ্জীৱিত কৰি তুলিবলৈও সকলোকে আহ্বান জনায়। তেওঁ জাতীয় উৎসৱসমূহ সম্প্ৰতি প্ৰতিযোগিতাৰ ধামখুমীয়াত বন্দী কৰিব বিচাৰিছোঁ। তাৰ পৰা আঁতৰি নাহিলে 'আমি আমাৰ অস্তিত্বই হেৰুৱাম। আমাৰ সত্ত্বাই নোহোৱা হ'ব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। মহকুমাধিপতি নৰেন্দ্ৰ কুমাৰ শ্বাহে 'ছ'চিয়েল মিডিয়াৰ অন্যতম 'লাইভ গহপুৰ অসম'ৰ সংবাদে সকলোকে সজাগ আৰু সচেতন কৰিবলৈ সক্ষম হৈছে বুলিও মন্তব্য কৰে। 'মাছ'ৰ সচিব বিতুল বৰুৱাই নিজৰ অস্তিত্ব নেহেৰুৱাবলৈ সকলো



অসমীয়াকে সচেতন হ'বলৈ আহ্বান কৰে। তেওঁ অসমক কেন্দ্ৰই হেঁচা মাৰি ধৰি যিবোৰ ধাৰা, আইন প্ৰণয়ন কৰিবলৈ বিচাৰিছে তাৰ বিৰুদ্ধে আমি সকলো ঐক্যবদ্ধ হৈ গণতান্ত্ৰিক পৰ্যায়েৰে আগবাঢ়ি যাব লাগিব বুলিও অনুষ্ঠানতে সমগ্ৰ অসমীয়াক আহ্বান জনায়। সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ নেতা বিপুল হীৰাই সকলো অসমীয়াকে অসমীয়াত্বৰ প্ৰতি গুৰুত্ব দি মাত মাতিবলৈ আহ্বান জনায়। 'লাইভ গহপুৰ অসম'ৰ এডমিন তথা গহপুৰৰ তৰুণ সাংবাদিক অম্লানজ্যোতি শইকীয়াই সমগ্ৰ গহপুৰৰ লগতে অসমবাসীক ভোগালী বিহুৰ ওলগ জনোৱাৰ লগতে সাম্প্ৰতিক সময়ৰ সমস্যাসমূহ নিৰাময়ৰ বাবে সকলোকে মাত মাতি অসমীয়াত্ব বজাই ৰাখিবলৈ সকলোকে আহ্বান জনায়। মুখ্য এডমিন তথা জ্যেষ্ঠ সাংবাদিক ভুবন শইকীয়া, সাংবাদিক ৰাজীৱ বৰা, সাংবাদিক ৰমেন বৰা, গুৱাহাটীৰ সাংবাদিক মণ্টুল নলৈ, জ্যেষ্ঠ সাংবাদিক মৃদুল কুমাৰ বৰা আৰু দীপ কুমাৰ শৰ্মাৰ লগতে 'অনুৰাগ'ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা 'গীতে-মাতে-কথাৰে ভোগালী বিশেষ' অনুষ্ঠানত ছয়দুৱাৰ মহাবিদ্যালয়ৰ বাকৰি জীপাল কৰাৰ লগতে অসমবাসীক ভোগালী বিহুৰ ওলগ জনায়।

Scanned with Oken Scanner